জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৪২/২০২০

# আৰক্ষী বিষয়া ৰত্নেশ্বৰ দাসৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১২ আগষ্ট ঃ** বকো আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰত্নেশ্বৰ দাসৰ আকস্মিক বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত ৰত্নেশ্বৰ দাসে অসম আৰক্ষীলৈ যি সেৱা আগবঢ়াই গ'ল সেয়া সকলোৱে শ্ৰদ্ধাৰে স্মৰণ কৰিব। এক পথ দুৰ্ঘটনাত মৃত্যু হোৱা এইগৰাকী আৰক্ষী বিষয়াই অতি নিষ্ঠা আৰু সততাৰে সেৱা আগবঢ়াই গৈছে। তেখেতৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত ৰত্নেশ্বৰ দাসৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ /**
**১২/০৮/২০২০**